# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-06-2024
**Time :** 1715 Hrs

***Assamese Evening Bulletin***
***----------------------***

লোকসভা নিৰ্বাচনত দেশৰ সংবিধান আৰু গণতান্ত্ৰিক ব্যৱস্থাৰ প্ৰতি পুনৰ আস্থা প্ৰকাশ কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসাধাৰণৰ শলাগ লৈছে। আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি আজি ৰাষ্ট্ৰক উদ্দেশ্যি শ্ৰীমোদীয়ে কয় যে, চলিত বৰ্ষৰ সাধাৰণ নিৰ্বাচন বিশ্বৰ সৰ্ববৃহৎ নিৰ্বাচনৰূপে পৰিগণিত হৈছে আৰু এইবাৰৰ লোকসভা নিৰ্বাচনত ৬৫ কোটি লোকে গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছে। বিশ্বৰ আন কোনো দেশত কেতিয়াও ইমান সংখ্যক লোকে গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰা নাই বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰিছে। শ্ৰীমোদীয়ে লগতে নিৰ্বাচন আয়োগ আৰু নিৰ্বাচনী প্ৰক্ৰিয়াৰ সৈতে জড়িত সকলোকে অভিনন্দন জনাইছে।

প্ৰধানমন্ত্ৰীয়ে কৈছে যে, ৩০ জুন এটা গুৰুত্বপূৰ্ণ দিন কিয়নো এই দিনটোতে হুল দিৱস পালন কৰা হয়। তেওঁ কয় যে এই দিৱস বৃটিছ শাসকসকলৰ আতিশয্যৰ বিৰোধিতা কৰা সিদ্ধো আৰু কানহুৰ অদম্য সাহসৰ সৈতে জড়িত। বীৰ সিদ্ধো আৰু কানহুই ১৮৫৫ চনত এই সংগ্ৰামত অদম্য সাহসৰ প্ৰদৰ্শন কৰি শ্বহিদ হৈছিল বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। এইবেলি বিশ্ব পৰিবেশ দিৱস উপলক্ষে আৰম্ভ কৰা **এক পেড় মা কে নাম** নামৰ বিশেষ অভিযানৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে সমগ্ৰ বিশ্বৰে জনসাধাৰণক মাতৃৰ সৈতে এটি গছপুলি ৰোপণ কৰিবলৈ অথবা এটি পুলি মাৰ নামত উৎসৰ্গা কৰিবলৈ আহ্বান জনাইছে। শ্ৰীমোদীয়ে কয় যে, ভাৰতত যোৱা দশকত বনভূমিৰ অভূতপূৰ্ব সম্প্ৰসাৰণ পৰিলক্ষিত হৈছে। তেওঁ কয় যে, অমৃত মহোৎসৱৰ সময়ত সমগ্ৰ দেশত ৬০ হাজাৰৰো অধিক অমৃত সৰোবৰ বিকশাই তোলা হৈছে।

বাৰিষা ঋতু সন্দৰ্ভত মত প্ৰকাশ কৰি শ্ৰীমোদীয়ে কেৰালাত নিৰ্মাণ কৰা কাৰথুম্বি নামৰ এবিধ বিশেষ ছাতিৰ কথা উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে এই ৰং বিৰঙৰ ছাতি নিৰ্মাণ কৰাৰ বাবে কেৰালাৰ জনজাতীয় মহিলাসকলৰ প্ৰশংসা কৰে আৰু বিশ্বৰ বিভিন্ন প্ৰান্তত এই ছাতিৰ বৰ্ধিত চাহিদাক লৈ সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয় যে, মহিলাৰ নেতৃত্বত কেৰালাৰ জনজাতীয় সম্প্ৰদায়ে উদ্যমশীলতাৰ অপূৰ্ব নিদৰ্শন আগবঢ়াইছে। তেওঁ কয় যে এই মহিলাসকলে খুচুৰা বিপনী আৰু পৰম্পৰাগত কাফে মুকলি কৰাৰ প্ৰস্তুতি চলাইছে। তেওঁ কয় যে, ভোকেল ফৰ লোকেল অৰ্থাৎ স্থানীয় সামগ্ৰীৰ পোষকতা কৰাৰ ইয়াতকৈ ভাল উদাহৰণ একোৱেই হ'ব নোৱাৰে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। কুৱেইট চৰকাৰে ৰাষ্ট্ৰীয় ৰেডিঅ'ত হিন্দী ভাষাত বিশেষ অনুষ্ঠান আৰম্ভ কৰা বুলি প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ কয় যে প্ৰতি দেওবাৰে কুৱেইট ৰেডিঅ'ত আধা ঘণ্টাৰ বাবে এই অনুষ্ঠান প্ৰচাৰ কৰা হয়। শ্ৰীমোদীয়ে এই ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে কুৱেইটৰ চৰকাৰ আৰু জনসাধাৰণক ধন্যবাদ জ্ঞাপন কৰে।

যোগ সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে কয় যে, সমগ্ৰ বিশ্বই দশম আন্তৰ্ৰাষ্ট্ৰীয় যোগ দিৱস অতি উৎসাহেৰে পালন কৰিছে। তেওঁ কয় যে, যোগ দিৱসৰ আয়োজন আগবঢ়াৰ লগে লগে প্ৰতিবছৰে নতন নতুন অভিলেখৰো সৃষ্টি হৈছে। এনে ধৰণৰ একাংশ সাফল্যত আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, চৌদি আৰৱত এইবেলি অল হনৌফ

নামৰ এগৰাকী মহিলাই প্ৰথমবাৰৰ বাবে যোগাভ্যাসত নেতৃত্ব দিয়ে। ইজিপ্তত যোগাভ্যাসৰ দিনা এখন ফটো প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। নীল নৈৰ পাৰ, লোহিত সাগৰৰ তীৰত আৰু পিৰামিডৰ সন্মুখত লাখ লাখ লোকে যোগাভ্যাস কৰাৰ আলোকচিত্ৰ অতিকে জনপ্ৰিয় হোৱা বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। বাহৰেইনত দিব্যাংগ শিশুৰ বাবে বিশেষ শিবিৰৰো আয়োজন কৰা বুলিও শ্ৰীমোদীয়ে প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে অহা মাহত আৰম্ভ হ'বলগীয়া পেৰিছ্ অলিম্পিকৰ কথা উল্লেখ কৰে। তেওঁ অলিম্পিকত অংশগ্ৰহণ কৰিবলগীয়া ভাৰতীয় দলটোক শুভেচ্ছা জ্ঞাপন কৰিছে।

প্ৰধানমন্ত্ৰী মোদীয়ে সমাগত পেৰিছ্ অলিম্পিকত খেলুৱৈসকলে ভাল প্ৰদৰ্শন কৰিব বুলি মত প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে কয় যে, সমগ্ৰ দেশে খেলুৱৈসকলে পদক অৰ্জন কৰি ঘৰলৈ ঘুৰি আহিব বুলি সমগ্ৰ দেশে আশাৰে বাট চাই আছে। তেঁও কয় যে, অনাগত দিনত তেঁও ভাৰতীয় দলটোৰ সৈতে মিলিত হ'ব আৰু দেশৰ হৈ তেওঁলোকক সাহস যোগাব। তেওঁ জনসাধাৰণক #Cheer 4 Bharat ত ভাৰতীয় দলটোক উৎসাহ দিবলৈ আহ্বান জনায়।

০০০০০০

সমগ্ৰ দেশজুৰি কাইলৈৰ পৰা তিনিখন নতুন ফৌজদাৰী আইন বলবৎ হ'ব। ঔপনিবেশিক সময়ৰ পৰা চলি অহা ভাৰতীয় দণ্ডবিধি, ফৌজদাৰী বিধি আৰু ভাৰতীয় সাক্ষ্য আইনৰ পৰিৱৰ্তে কাইলৈৰ পৰা ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম নামৰ নতুন আইন তিনিখন বলবৎ হ'ব। অসম চৰকাৰে এই আইন তিনিখন ৰাজ্যত নিয়াৰিকৈ প্ৰৱৰ্তনৰ বাবে ন্যায় বিভাগ আৰু অসম আৰক্ষীৰ সহযোগত যাৱতীয় কাৰ্যব্যৱস্থা গ্ৰহণ কৰিছে। তদুপৰি নতুন আইনকেইখনৰ সফল ৰূপায়ণৰ বাবে ৰাজ্য চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগে মুখ্য সচিবৰ নেতৃত্বত এখন ৰাজ্যিক পৰ্যায়ৰ কৰ্ণধাৰ সমিতি গঠন কৰি দিছে। আৰক্ষী সঞ্চালক প্ৰধানক সদস্য, ন্যায়িক বিভাগৰ আইনী পৰামৰ্শদাতাক সদস্য সচিব আৰু কাৰাগাৰ মহাপৰিদৰ্শক, ফৰেণচিক বিজ্ঞান গৱেষণাগাৰৰ সঞ্চালক তথা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ লোক অধিবক্তাক সদস্য হিচাপে লৈ গঠন কৰা সমিতিখনে আইন তিনিখন সন্দৰ্ভত কেইবালানিও বৈঠক অনুষ্ঠিত কৰিছে। ইয়াৰ সমান্তৰালকৈ চৰকাৰী অধিবক্তা আৰু আৰক্ষী লোকসকলক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।

ইপিনে, আজি গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগত নতুন আইনকেইখন সন্দৰ্ভত সংবাদ মাধ্যমৰ বাবে এখন কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাত অংশ লৈ অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগৰ অতিৰিক্ত সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তাই কয় যে নতুন আইনত দণ্ড প্ৰদানৰ পৰিৱৰ্তে ন্যায় প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ দ্বাৰা ভুক্তভোগীয়ে স্বচ্ছ প্ৰক্ৰিয়াৰে দ্ৰুতভাৱে ন্যায় লাভ কৰিব বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয় যে এতিয়া যিকোনো লোকে থানালৈ নোযোৱাকৈ বৈদ্যুতিন মাধ্যমেৰে এজাহাৰ দাখিল কৰিব পাৰিব। একেদৰে এই মাধ্যমেৰে চমন জাৰি কৰিব পৰা যাব। তদুপৰি নতুন আইনত সাক্ষীসকলৰ সুৰক্ষাত অধিক গুৰুত্ব দিয়া হৈছে বুলি তেওঁ কয়। ইয়াৰ ওপৰত ভিত্তি কৰি অসম চৰকাৰৰ নলবাৰীত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত সাক্ষী সুৰক্ষা আঁচনিত অনুমোদন দিয়া হৈছে বুলিও শ্ৰীগুপ্তাই জানিবলৈ দিয়ে। এই কৰ্মশালাত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা অংশুমান বৰাও উপস্থিত থাকে। অধিবক্তাগৰাকীয়ে আইন তিনিখন সন্দৰ্ভত বিস্তৃতভাৱে ব্যাখ্যা আগবঢ়ায়।

০০০০০০

জলসম্পদ মন্ত্রী পিয়ুষ হাজৰিকাই আজি গোলাঘাটৰ তেতেলীতলৰ হাঁহচ'ৰা পথাৰৰ ধনশিৰি নদীৰ নৱনিৰ্মিত মথাউৰিটো পৰিদৰ্শন কৰে। তেওঁ হোজাই,নগাওঁ জিলাৰ কামপুৰ আৰু বৰাক উপত্যকাত মথাউৰি নিৰ্মাণৰ কাম কৰিবলগীয়া আছে বুলি উল্লেখ কৰে। ইয়াৰপূৰ্বে তেওঁ গোলাঘাটৰ সাংবাদিক বিকাশ শৰ্মাৰ বাসগৃহত উপস্থিত হৈ স্বাস্থ্যৰ বুজ লোৱাৰ লগতে অসম চৰকাৰৰ তৰফৰ পৰা ২লাখ টকাৰ আৰ্থিক সাহায্য আগবঢ়ায়। মন্ত্ৰী অজন্তা নেওগ, বিধায়ক বিশ্বজিৎ ফুকন আৰু প্ৰাক্তন মন্ত্ৰী বিস্মৃতা গগৈয়ে তেওঁক সংগ দিয়ে। ইয়াৰ পাছত তেওঁ পদুমণি মণ্ডল বিজেপি কাৰ্যালয়ত মন কী বাত অনুষ্ঠানত অংশগ্ৰহণ কৰে। আনহাতে, আঠখেলীয়া মথাউৰি পৰিদৰ্শন কৰাৰ লগতে তেওঁলোকে চিংফুৰাত কাকডোঙা মথাউৰি উদ্বোধন কৰি এখন জনসভাত অংশগ্ৰহণ কৰে।

০০০০০০

সমাপ্ত